# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 07-09 -2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

**-------------------**

বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে কাইলৈৰ পৰা ৰাজ্যজুৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কাইলৈ শিল্পীগৰাকীৰ জন্ম দিন উপলক্ষে জালুকবাৰীৰ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত স্মৃতি তৰ্পন আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ পুৱা ৯ বজাৰ পৰা হবলগীয়া এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

অসম সাহিত্য সভাই শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে স্বীকৃতিপ্ৰাপ্ত ৩৩খন জিলা সাহিত্য সভা আৰু এহেজাৰখন শাখা সাহিত্য সভাৰ জৰিয়তে কাইলৈৰ পৰা কাৰ্যসূচী অনুষ্ঠিত কৰিব। ইয়াৰ উপৰি দেশে বিদেশে থকা শাখা সাহিত্য সভাসমূহৰ উদ্যোগতো কাৰ্যসূচী ৰূপায়ণ কৰা হব। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই আজি সভাই গুৱাহাটী কাৰ্যালয়ৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত আয়োজিত এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অসম সাহিত্য সভাৰ উদ্যোগত আৰু ওদালগুৰি জিলাৰ শ্ৰীশ্ৰীগোবিন্দ মিশ্ৰ শতদল শাখা সাহিত্য সভাৰ সহযোগত কাইলৈ আৰু পৰহিলৈ শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে পুৱাৰ ভাগত বন্তি প্ৰজলন, গছপুলি ৰোপণ, গ্ৰন্থ বিপনী মুকলি, ভূপেন হাজৰিকাৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া শিল্পীগৰাকীৰ স্মৃতিত এশ গছি বন্তি প্ৰজলন কৰা হ'ব। পৰহিলৈ ড° ভূপেন হাজৰিকাৰ প্ৰতিকৃতি অংকন প্ৰতিযোগিতা আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। এই শোভাযাত্ৰাত শিল্পী, সাহিত্যিকে অংশগ্ৰহণ কৰিব।

ডিব্ৰুগড় জিলাত আজি বহু শিল্পীয়ে ড° অমৰজ্যোতি চৌধুৰী ৰচিত মৃত্যু জিনাৰ গান শীৰ্ষক কবিতাটি সমস্বৰে আবৃত্তি কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে। মাজুলি সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱাই অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে। জিলাখনত আজি ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত চাইকেল সমদলৰ আয়োজন কৰা হয়। সেউজ আৰু স্বাস্থ্যকৰ পৰিবেশ গঢ়ি তোলাৰ বাৰ্তা দিয়াৰ বাবে আয়োজন কৰা এই সমদল মন্ত্ৰী প্ৰশান্ত ফুকনে পতাকা জোকাৰি শুভাৰম্ভ কৰে। অনুষ্ঠানত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উপ সভানেত্ৰী শিল্পী মণিষা হাজৰিকা উপস্থিত থাকে। ধেমাজী জিলাতো আজি ৩ শতাধিক আবৃত্তিকাৰে মৃত্যু জিনাৰ গান শীৰ্ষক কবিতাটি সমস্বৰে আবৃত্তি কৰি সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয়ত এখন বৈঠকত জিলাখনৰ শৈক্ষিক দিশৰ পৰ্যালোচনা কৰে। জিলাখনৰ সামগ্ৰিক শৈক্ষিক ফলাফল পূৰ্বতকৈ ভালেখিনি উন্নত হোৱা আৰু

মুঠ নামভৰ্তিৰ সংখ্যা বৃদ্ধিৰ লগতে আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস পোৱাক লৈ ডাঃ পেগুৱে সন্তুষ্টি প্ৰকাশ কৰে। অৱশ্যে এই ক্ষেত্ৰত ৰাজ্যৰ গড় পৰিসংখ্যাতকৈ জিলাখন কিছু পিচ পৰি থকাৰ পৰিপ্ৰেক্ষিতত তেওঁ সকলো বিষয়াবৰ্গক নতুন শিক্ষা নীতি অনুসৰি শৈক্ষিক পৰিস্থিতিতন্ত্ৰ উন্নত কৰিবলৈ আহ্বান জনায়।

ডাঃ পেগুৱে আজি তিনিচুকীয়াত সদৌ অসম ট্যুৰিষ্ট গাইড সংস্থাৰ দ্বিতীয়খন সন্মিলনত অংশ লয়। উত্তৰ পূৰ্বাঞ্চলৰ পৰ্যটন খণ্ডৰ দ্ৰুত বিকাশ হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে সংস্থাটোৰ এনে পদক্ষেপৰ বাবে শলাগ লয়। এই সন্মিলনত অৰুণাচল প্ৰদেশৰ বিধায়ক অ'কেন টায়েং উপস্থিত থাকে।

০০০০০০

চৰকাৰে বিশ্ব বেংকৰ পুঁজিৰে পৰিচালিত অসম স্থিতিকস্থাপক গুণ সম্পন্ন গ্ৰাম্য দলং কাৰ্যসূচী এ আৰ আৰ বি পিৰ অধীনত ৰাজ্যৰ ১২ খন জিলাত আৰু ২৮ খন দলং নিৰ্মাণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই দলংসমূহ নিৰ্মাণ কৰাৰ বাবে ৮৫ কোটি ৮৮ লাখ টকা ব্যয় হ'ব। ৰাজ্য চৰকাৰে এ আৰ আৰ বি পি কাৰ্যসূচীৰ অধীনত পৰ্যায়ক্ৰমে গ্ৰাম্যাঞ্চলত প্ৰায় এহেজাৰ ২০০ খন দলং নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰিছে। অলপতে লোক নিৰ্মাণ বিভাগৰ বাহ্যিক সাহাৰ্য্য প্ৰাপ্ত শাখাই বৰপেটা, বঙাইগাঁও, ধুবুৰী, কোকৰাঝাৰ, কাছাৰ, চৰাইদেউ, ডিব্ৰুগড়, ডিমাহাচাও, কাৰ্বি আংলং, লখিমপুৰ, নগাঁও আৰু শিৱসাগৰ জিলাত নিৰ্মাণ কৰিবলগীয়া ২৮ নতুন দলঙৰ বাবে নিবিদা আহ্বান কৰিছে।

০০০০০০

ধেমাজিৰ বিশিষ্ট সাহিত্যিক, গৱেষক ড° পুষ্প গগৈলৈ শিৱসাগৰ জিলা সাংবাদিক সন্থাই ছহিদ পিয়লিফুকন সোঁৱৰণি ৰাজ্যিক বঁটা আগবঢ়াইছে। প্ৰথমবাৰৰ বাবে শিৱসাগৰত জিলা সাংবাদিক সন্থাৰ বাৰ্ষিক অধিবেশনত এই বঁটা আগবঢ়োৱা হৈছে।

০০০০০০

শিলচৰত কালি নিশা দুৰ্বৃত্তই এজন লোকক গুলীচালনা কৰা ঘটনা সংক্ৰান্তত কাছাৰ আৰক্ষীয়ে দুজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। ধৃত যুৱক দুজন হৈছে মিজোৰামৰ আইজলৰ ডেভিদ মাৰ আৰু ক্ৰিষ্টোফাৰ ভানলালপেকা। আৰক্ষীয়ে তেওঁলোকৰ পৰা অস্ত্ৰ-শস্ত্ৰসহ নগদ ধন জব্দ কৰে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাত্তাই জনোৱা মতে যুৱক দুজনৰ গুলীৰ আঘাতত গুৰুতৰভাৱে আহত হোৱা নিলোৎপল দাস নামৰ লোকজনে নেশ্যনেল হাইৱে আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে তাৎক্ষণিকভাৱে অভিযান আৰম্ভ কৰি যুৱক দুজনক আটক কৰিবলৈ সমৰ্থ হয়।

০০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ